**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :09**-DEC-2025
**Time :** 11-00 Hrs

***Assamese Morning Bulletin***
***Headlines***
**-------------------**

ৰাজ্যজুৰি বিস্তৃত কাৰ্যসূচীৰে কাইলৈ পালন কৰিবলগীয়া ছহিদ দিৱসৰ পূৰ্বে আজি গুৱাহাটীৰ পশ্চিম বৰাগাঁৱৰ ছহিদ স্মাৰক ক্ষেত্ৰত ছহিদৰ স্মৃতিত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে বিয়লি চাৰি বজাৰ পৰা থাপনা স্থাপন, ভাগৱত পাঠ, ছহিদ প্ৰণাম জ্যোতি প্ৰজ্বলন, দিহা নাম, থিয় নাম আদিৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী অতুল বৰা উপস্থিত থাকিব। ইয়াৰ পূৰ্বে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ছহিদ স্মাৰক ক্ষেত্ৰত উপস্থিত হৈ কাইলৈ হ'বলগীয়া ছহিদ স্মাৰক ক্ষেত্ৰ উদ্বোধনৰ প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে ছহিদ স্মাৰক ক্ষেত্ৰৰ পৰা পোনপটীয়াকৈ জনসাধাৰণ সম্বোধন কৰাৰ লগতে এই স্মাৰক ক্ষেত্ৰৰ বিষয়ে সকলোকে বিশদভাৱে অৱগত কৰে।

ইপিনে, কাইলৈ বৰাগাঁৱৰ ছহিদ স্মাৰক ক্ষেত্ৰৰ লগতে ৰাজ্যজুৰি পালন কৰিবলগীয়া ছহিদ দিৱসৰ প্ৰস্তুতিৰ খতিয়ান ল'বলৈ মন্ত্ৰী অতুল বৰাই জিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে কালি এখন বৈঠকত মিলিত হয়। এই বৈঠকত মন্ত্ৰী কেশৱ মহন্ত, জয়ন্ত মল্ল বৰুৱা, ৰূপেশ গোৱালা আৰু ৰাজ্যৰ মুখ্য সচিব ডঃ ৰবী কোটা উপস্থিত থাকে। বৈঠকত প্ৰতিখন জিলা আৰু সমজিলাত এই অনুষ্ঠান সফলভাৱে অনুষ্ঠিত কৰিবলৈ যাৱতীয় নিৰ্দেশনা দিয়া হয়। গুৱাহাটীৰ পশ্চিম বৰাগাওঁত ছহিদ দিৱস উদযাপনৰ কেন্দ্ৰীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। জিলা আৰু সম জিলা মুখ্য কাৰ্যালয়সমূহতো সকলো স্তৰৰ ৰাইজৰ সক্ৰিয় অংশগ্ৰহণেৰে ছহিদ দিৱস পালন কৰা হ'ব। পশ্চিম বৰাগাঁৱত নিৰ্মিত ছহিদ স্মাৰক ক্ষেত্ৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে মুকলি কৰিব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে ঐতিহাসিক অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি সন্মান জনাই তেওঁলোকৰ স্মৃতি সংৰক্ষণৰ লক্ষ্যৰে বৰাগাঁৱত এই ছহিদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ কৰা হৈছে। এই ক্ষেত্ৰত প্ৰেক্ষাগৃহ, প্ৰাৰ্থনা গৃহ, চাইকেল ট্ৰেক আদিৰ উপৰি অসম আন্দোলন তথা ৰাজ্যখনৰ বুৰঞ্জীৰ বিভিন্ন ঘটনা প্ৰবাহক সামৰি শব্দ আৰু পোহৰৰ বিশেষ প্ৰদৰ্শনীৰো ব্যৱস্থা থাকিব।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গক আজি কটন বিশ্ববিদ্যালয়ে মৰণোত্তৰভাৱে ডি লীট সন্মান প্ৰদান কৰিব। প্ৰয়াত শিল্পীগৰাকীৰ লগতে অধ্যাপক ৰঞ্জিত কুমাৰ দেৱ গোস্বামীকো এই সন্মান প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে অহা ১২ ডিচেম্বৰত এছ আই টিয়ে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ সন্দৰ্ভত অভিযোগনামা দাখিল কৰিব।

প্ৰায় চাৰে তিনি হাজাৰ পৃষ্ঠাৰ এই অভিযোগনামা দাখিলৰ বাবে ১৮ ডিচেম্বৰ শেষ সীমা নিৰ্ধাৰণ কৰা হৈছিল যদিও ছদিন পূৰ্বে অসম আৰক্ষীয়ে এই কাম সম্পূৰ্ণ কৰিব।

উল্লেখযোগ্য যে প্ৰিয় শিল্পীগৰাকীক কালি বিশ্ববিখ্যাত শিল্পী আমেৰিকান ৰকষ্টাৰ পষ্ট মেলনেও খানাপাৰাত নিজৰ অনুষ্ঠানৰ পূৰ্বে স্মৰণ কৰি শ্ৰদ্ধা নিবেদন কৰে।

০০০০০০

কামৰূপ জিলাৰ  বকোৰ গান্ধী ময়দান সমন্বয় ক্ষেত্ৰত আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অন্তৰ্গত ২০২৫-২৬ বৰ্ষৰ বাবে তিনি লাখৰো অধিক হিতাধিকাৰীসকললৈ যোজনাৰ অনুমোদন পত্ৰৰ ৰাজ্যিক পৰ্যায়ৰ কেন্দ্ৰীয় আনুষ্ঠানিক বিতৰণ কাৰ্যসূচীৰ উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অধীনত যোৰহাট জিলাৰ চাৰিওটা বিধানসভা সমষ্টিতে আজি আনুষ্ঠানিক বিতৰণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। যোৰহাট বিধানসভা সমষ্টিৰ বাবে এই অনুষ্ঠান যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকা গৃহত অনুষ্ঠিত হ'ব। জিলাখনৰ তিতাবৰ মৰিয়নি আৰু টীয়ক বিধানসভা সমষ্টিতো এই উপলক্ষে বিতৰণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০

আই আই টি গুৱাহাটীত কালিৰে পৰা তিনি দিনীয়াকৈ কেয়াৰ কনফাৰেন্স ২০২৫ অনুষ্ঠিত হৈছে। মেহতা ফেমিনা স্কুল অব ডাটা ছায়েন্স এণ্ড আৰ্টিফিছিয়েল ইণ্টেলিজেন্স গুৱাহাটীৰ উদ্যোগত অনুষ্ঠিত এই কাৰ্যসূচী আয়োজক প্ৰতিষ্ঠানটোৰ মুৰব্বী ৰাহুল মেহতাই শুভাৰম্ভ কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে আই আই টি গুৱাহাটীৰ সঞ্চালক অধ্যাপক দেৱেন্দ্ৰ জালিহালৰ লগতে কেইবাগৰাকীও অধ্যাপক আৰু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত লোৱাৰ পাছত আই আই টি গুৱাহাটীৰ ডাটা ছায়েন্সৰ মুৰব্বী অধ্যাপক ৰঞ্জিৎ ভট্টাচাৰ্যই এইদৰে কয়-

(বাইট ঃ ৰঞ্জিৎ ভট্টাচাৰ্য)

০০০০০০

ধেমাজি আৰক্ষীয়ে কালি অভিযান চলাই এজন মাদকদ্ৰব্য সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে নিচাযুক্ত দ্ৰব্য আৰু অন্যান্য সামগ্ৰী জব্দ কৰে। আৰক্ষীয়ে এই অভিযানত গ্ৰেপ্তাৰ কৰা লোকজনৰ পৰা প্ৰায় চাৰে তিনি গ্ৰাম হেৰ'ইন জব্দ কৰাৰ লগতে এখন দুচকীয়া বাহন আৰু দুটা ম'বাইল ফোন উদ্ধাৰ কৰে।

০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত কামৰূপ মহানগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কল্পনা ডেকাৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ কামৰূপ মহানগৰৰ সংবাদদাতা হেমন্ত বৰাই। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০

সমাপ্ত